অসম এছোচিয়েছন, দিল্লী • ASSAM ASSOCIATION, DELHI •

# যোগাযোগ

মে’ঃ ২০২১

১৪৮

**JOGAJOG**

**May : 2021**

**Vol : 13 No:08 Sl No: 148**

**Monthly Newsletter of Assam Association, Delhi**



*Editor (Hony):*
**Dr Sangeeta Dutta**
466, 3rd Floor
Shree Awas (L&T Aptt.)
Sector 18-B, Phase II, Dwarka
New Delhi-110078
Ph: +91 9910084548
Email: editorjogajog@gmail.com



Graphics, Designing & Printing:
**Swarnagiri Services Pvt. Ltd**
Ph: +91 9873763811

*Published by:*
General Secretary
**Assam Association, Delhi**
**Srimanta Sankaradeva Bhawan**
**A-14B, Satsang Vihar Marg,**
**Qutab Institutional Area,**
**New Delhi - 110 067**
**Ph: 26510426 & 26537786**

E-mail: info@assamassociationdelhi.com, assamassociationdelhi2015@gmail.com
Website : www.assamassociationdelhi.com


# কেৱল দুখৰ খবৰ!

কালান্তক ক’ভিড -১৯ মহামাৰীৰ যি আতংক চলি আছে তেনে এটা সময়ত কেৱল হৃদয়বিদাৰক দুখৰ খবৰবোৰৰ বাহিৰে অন্য ভাল খবৰ বিছাৰি পাবলৈ নোহোৱা হৈছে। ‘যোগাযোগ’ৰ সমুখতো সেই একেই সমস্যা।

কিন্তু কেৱল দুখৰ হ’ল বুলিয়েই সত্য খবৰবোৰ নিদিয়াকৈওতো থাকিব নোৱাৰি। সেয়ে ‘যোগাযোগ’ৰ এইবাৰৰ সংখ্যাটোত আজি আমি সেইসকলক স্মৰণ কৰিছোঁ যিসকলক ক’ভিড মহমাৰীয়ে অতি নিষ্ঠুৰতাৰে আমাৰ মাজৰপৰা কাঢ়ি লৈ গ’ল।

অৱশ্যে তাৰ মাজতে স্থানান্তৰত এটা ভাল খবৰো আছে। ক’ভিড আক্ৰান্তসকললৈ অলপ হ’লেও শুশ্ৰূষা সুবিধা আগবঢ়াবলৈ অসম এছোচিয়েছনে এটা প্ৰয়াস কৰিব খুজিছে। এই প্ৰয়াসত সফল হ’লে এছোচিয়েছনে নিশ্চয় এটা মহান কাম কৰা হ’ব। ‘যোগাযোগে’ আশা কৰিছে এই প্ৰয়াস যেন সফলকাম হয়!

-হিৰণ দত্ত

*(এই সংখ্যা যোগাযোগৰ সম্পাদক)*

## ক'ভিড-১৯ মহামাৰীৰ আতংকঃ জীৱন সঁচাই কচুপাতৰ পানী !

ক'ভিড মহামাৰীয়ে সমগ্ৰ বিশ্বতে ঘাইকৈ আমাৰ ভাৰতত যি উগ্ৰৰূপ ধাৰণ কৰিছে তাত মানুহে ত্ৰাহি ত্ৰাহি দেখিছে। পলাই সাৰিবলৈকো ক'তো ঠাই বাছি থকা নাই। যোৱাবাৰৰ দৰে ঘৰৰ ভিতৰত তাপ মাৰি সোমাই থাকিও মানুহে এইবাৰ ৰক্ষা পোৱা নাই। দেশৰ ৰাজধানী দিল্লী মহানগৰৰে কি দুৰৱস্থা! হস্পিতালত শৰীৰটো ৰাখিবলৈ বিচনা নাই! ভাগ্যৰ বলত বিচনা পালেও উশাহ ল'বলৈ অক্সিজেন নাই। শ্মশানতো শান্তি নাই। সকলো আজি ত্ৰস্তমান। আমি অসমীয়াখিনিও। কভিডে আজি জাতি, ধৰ্ম, ভাষা, বয়সৰ কোনো বাছ-বিছাৰ নকৰে। ভেকচিনেহে যদি বচায়! কিন্তু তাৰো নাটনি। সঁচাই জীৱনটো যেন কচুপাতৰ পানী! তথাপিও আমি জীয়াই থাকিব লাগিব। লগেভাগে জীয়াই থাকিব লাগিব। ইজনে সিজনৰ খা-খবৰ লৈ সুখ-দুখৰ সমভাগী হৈ। আমাৰ মাজৰে বহুতৰে নিশ্চয় বহু অবৰ্ণনীয় দুৰ্গতি হৈছে। বহুতেই পৰিয়ালৰ আপোনজনকো হেৰুৱাইছে। আনকি কোনো কোনো অনাথ পৰ্যন্তও হ'বলগাত পৰিছে! আহক, অসম এছোচিয়েছন, দিল্লীৰ এই পত্ৰিকা 'যোগাযোগ'ৰ মাধ্যমেৰে প্ৰথমে আজি সেইসকলক সোঁৱৰো যিসকলক কালান্তক কভিড-১৯ মহামাৰীয়ে চিৰদিনৰ বাবে আমাৰ মাজৰ পৰা কাঢ়ি লৈ গ'ল। আমি প্ৰাৰ্থনা কৰোঁ তেখেতসকলৰ বিদেহ আত্মাই যেন চিৰশান্তি লাভ কৰে, শোকসন্তপ্ত পৰিয়ালবৰ্গই যেন এই বেদনা সহ্য কৰিবলৈ মনৰ শক্তি পায়। ঔম শান্তি!!

# ঃ শ্ৰদ্ধাঞ্জলি ঃ


### ডঃ আলোকেশ বৰুৱা



যোৱা ২৬ এপ্ৰিল ২০২১ তাৰিখে কভিড মহামাৰীত আক্ৰান্ত হৈ জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক তথা অসম এছোচিয়েছন, দিল্লীৰ আজীৱন সদস্য শ্ৰী আলোকেশ বৰুৱাই হস্পিতালত বিচনাৰ অভাৱত সোমাব নোৱাৰি বসন্তকুঞ্জৰ নিজা বাস ভৱনতে মৃত্যুমুখত পৰিব লগা হয়। তেখেতৰ মূল ঘৰ আছিল নলবাৰীত। শ্ৰী বৰুৱাই কটন কলেজৰ পৰা অৰ্থনীতিত B.Sc(Hons) আৰু এলাহাবাদ বিশ্ববিদ্যালয়ৰপৰা MA ডিগ্ৰী লোৱাৰ পিছত JNU- ৰ

School of International Studies-ৰ পৰা Ph.D. কৰি উঠি Center for International Trade and Development-ত Assistant Professor হিচাপে নিযুক্ত হয় ১৯৮০-ৰ দশকৰ আৰম্ভণিত। পিছত Commonwealth আৰু Fulbright Post-Doctoral Fellow হিচাপে তেখেতে ইংলেণ্ড আৰু আমেৰিকাত গৈ গৱেষণা কৰিছিল। তেখেত দেশ-বিদেশৰ বিভিন্ন বিশ্ববিদ্যালয় আৰু অনুষ্ঠানৰ লগত জড়িত আছিল। শ্ৰী বৰুৱাই পত্নীৰ উপৰি এজন পুত্ৰ সন্তান এৰি থৈ গৈছে।

## সঞ্জীৱ ফুকন আৰু মমী ফুকন



চিত্তৰঞ্জন পাৰ্ক নিবাসী শ্ৰী সঞ্জীৱ ফুকনৰ ক'ভিড মহামাৰীত আক্ৰান্ত হৈ যোৱা ২৬ এপ্ৰিল ২০২১ তাৰিখে চিকিৎসালয়ত বিয়োগ ঘটে। তদুপৰি তাৰ দুদিনমানৰ পিছতে তেওঁৰ পত্নী শ্ৰীমতী মমী ফুকনো ক'ভিড আক্ৰান্ত হৈ মৃত্যু মুখত পৰে। শ্ৰী ফুকন আছিল অসম ইঞ্জিনীয়াৰিং কলেজৰ পৰা ১৯৯১ চনত উত্তীৰ্ণ হোৱা এজন ইঞ্জিনীয়াৰ। তেখেত দিল্লীত 'মহিন্দ্ৰা এণ্ড মহিন্দ্ৰা' কোম্পানীত কৰ্মৰত আছিল। তেওঁলোকে এগৰাকী কন্যাসন্তান আৰু এজন পুত্ৰসন্তান এৰি থৈ গৈছে।

## কল্যাণ বৰুৱা আৰু নীলাক্ষি ভট্টাচাৰ্য





সংবাদ জগতৰ লগত বহুদিনৰপৰা জড়িত , দিল্লী তথা ৰাষ্ট্ৰীয় ৰাজধানীত বসবাস কৰি থকা অসমীয়া ৰাইজৰ মাজত অতি জনপ্ৰিয় দম্পতি কল্যাণ বৰুৱা আৰু নীলাক্ষি ভট্টাচাৰ্যৰ অলপতে হোৱা অকাল বিয়োগত সকলো ম্ৰিয়মান হৈ পৰিল। কল্যাণ বৰুৱা আছাম ট্ৰিবিউন কাকতৰ 'ব্যুৰো ইন চীফ' হিচাপে দিল্লীত কৰ্মৰত আছিল। দিল্লীত সাংবাদিকতা কৰিবলৈ অহা সকলো ডেকা-গাভৰু সাংবাদিকৰ পথপ্ৰদৰ্শক আছিল। অতি নিষ্ঠাৰে কাম কৰি অহা এনে এজন ব্যক্তিক ক'ভিড ৰোগে যোৱা ১ মে'ৰ দিনা কাঢ়ি লৈ গ'ল। তেওঁৰ পত্নী নীলাক্ষিয়েও ক'ভিডৰোগতে আক্ৰান্ত হৈ একেলগে

গুড়গাওঁৰ প্ৰতীক্ষা হস্পিতালত চিকিৎসাধীন হৈ আছিল। তেওঁ স্বামী কল্যাণ বৰুৱাতকৈ মাত্ৰ এদিন আগতে ৩০ এপ্ৰিলৰ দিনা মৃত্যু মুখত পৰিছিল। নীলাক্ষি টাইম্‌ছ অৱ ইণ্ডিয়া কাকতত উচ্চপদত কৰ্মৰত আছিল। এই প্ৰয়াত সাংবাদিক দম্পতিয়ে এগৰাকী কন্যা সন্তান এৰি থৈ গৈছে।

## মৃদুল ভূঞা



গুড়গাওঁ অসম এছোচিয়েছনৰ প্ৰতিষ্ঠাপক সভাপতি শ্ৰী মৃদুল ভূঞাৰ ক'ভিড ৰোগত আক্ৰান্ত হৈ যোৱা ২৯ এপ্ৰিলৰ দিনা গুড়গাওঁৰ এখন হস্পিতালত বিয়োগ ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৫৯ বছৰ। অসমীয়া সমাজৰ এজন সৰবৰহী ব্যক্তি মৃদুল ভূঞাৰ অকাল মৃত্যু এক অপুৰণীয় ক্ষতি। গুড়গাঁওত অৱস্থিত পাৱাৰ গ্ৰীডৰ জ্যেষ্ঠ মহাপ্ৰবন্ধক হিচাপে তেখেত কৰ্মৰত আছিল। জন্মসূত্ৰে শিৱসাগৰ মেলা চকৰৰ প্ৰয়াত ভূঞা যোৰহাট ইঞ্জিনীয়াৰিং কলেজৰপৰা উত্তীৰ্ণ হৈ সুখ্যাতিৰে চাকৰি জীৱনৰ শেষ পৰ্যায়ত উপনীত হৈছিল। তেখেতে পত্নীৰ উপৰি এগৰাকী কন্যা সন্তান এৰি থৈ গৈছে।

## অমিয়া বেজবৰুৱা



দ্বাৰকা নিবাসী শ্ৰী ৰোহিণী কুমাৰ বেজবৰুৱাৰ পত্নী শ্ৰীমতী অমিয়া বেজবৰুৱাৰ ক'ভিড আক্ৰান্ত হৈ যোৱা ১৬ এপ্ৰিলৰ দিনা গুড়গাওঁৰ এখন চিকিৎসালয়ত বিয়োগ ঘটে। তেখেতৰ বয়স আছিল ৬৮ বছৰ। তেখেত এগৰাকী অমায়িক স্বভাৱৰ বয়োজ্যেষ্ঠ মহিলা আছিল। উল্লেখনীয় যে একেসময়তে তেখেতৰ স্বামী, এগৰাকী জীয়েক আৰু জোৱাঁয়েকো ক'ভিড আক্ৰান্ত হৈছিল যদিও তেওঁলোকে ইতিমধ্যে আৰোগ্য লাভ কৰিছে। অসম এছোচিয়েছন, দিল্লীৰ এগৰাকী আজীৱন সদস্যা অমিয়া বেজবৰুৱাই স্বামীৰ উপৰি চাৰিগৰাকী জীয়ৰী, জোঁৱাই আৰু কেইবাটিও নাতি-নাতিনী এৰি থৈ গৈছে।


## ডাঃ ডিম্বেশ্বৰ বৰা

অসম এছোচিয়েছন, দিল্লীৰ এজন আজীৱন সদস্য নয়ডা নিবাসী ডাঃ ডিম্বেশ্বৰ বৰাৰ যোৱা ৩০ এপ্ৰিল তাৰিখে ক'ভিড ৰোগত মৃত্যু ঘটে। গুৱাহাটী মেডিকেল কলেজৰপৰা শিক্ষা সমাপ্ত কৰি তেখেতে কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন হস্পিতাল আৰু ডিছপেন্সৰী আদিত চাকৰি কৰি অৱসৰ লৈছিল। তেখেতৰ পত্নীও এগৰাকী অৱসৰপ্ৰাপ্ত চৰকাৰী চিকিৎসক।

## কৰ্ণেল অজিৎ দত্ত আৰু অনুৰাধা দত্ত

নয়ডা নিবাসী ভাৰতীয় সেনাৰ অৱসৰপ্ৰাপ্ত কৰ্ণেল অজিৎ দত্তৰ ক'ভিড আক্ৰান্ত হৈ যোৱা ২১ এপ্ৰিলৰ দিনা চিকিৎসালয়ত মৃত্যু ঘটে। উল্লেখযোগ্য যে তেখেতৰ পত্নী অনুৰাধা দত্তও ক'ভিড আক্ৰান্ত হৈ তিনিদিনৰ পিছতে ২৪ এপ্ৰিলৰ দিনা মৃত্যু মুখত পৰে। কৰ্ণেল অজিৎ দত্তৰ মূল ঘৰ আছিল শ্বিলঙত। প্ৰয়াত দত্ত দম্পতিয়ে দুগৰাকী কন্যা সন্তান এৰি থৈ গৈছে।

## ডাঃ সত্যপ্ৰিয় বৰুৱা



যোৱা ২৪ এপ্ৰিলৰ দিনা দ্বাৰকাস্থিত এলিফেণ্টা চছাইটীৰ বাসিন্দা অৱসৰপ্ৰপ্ত ডাক্তৰ শ্ৰী সত্যপ্ৰিয় বৰুৱা ক'ভিডৰোগত আক্ৰান্ত হৈ মৃত্যু মুখত পৰে। অসম মেডিকেল কলেজৰ প্ৰাক্তন ছাত্ৰ ডাঃ বৰুৱাই কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন হস্পিতালত চাকৰি কৰি অৱসৰ লৈছিল। তেখেত অসম এছোচিয়েছন, দিল্লীৰ এগৰাকী আজীৱন সদস্য আছিল। তদুপৰি তেখেত 'এমকল এল্যুম্‌নি' সংস্থাৰ সদস্য আৰু ইণ্ডিয়ান মেডিকেল এছোচিয়েছন জনকপুৰী শাখাৰ প্ৰাক্তন সভাপতি আছিল।

## বন্দনা দত্ত

দ্বাৰকা নিবাসী শ্ৰীমতী বন্দনা দত্তৰ যোৱা ৩ মে'ৰ দিনা ক'ভিড ৰোগত মৃত্যু ঘটে। তেখেতৰ বয়স আছিল ৫০-ৰ ওপৰ। এখেত দ্বাৰকা নিবাসী শ্ৰী অসীম দত্তৰ পত্নী।

## উৎপল সেনাপতি



টোগলকাবাদ নিবাসী শ্ৰী উৎপল সেনাপতিৰ ক'ভিড আক্ৰান্ত হৈ যোৱা ৩ মে'ৰ দিনা ফৰিদাবাদৰ এখন চিকিৎসালয়ত মৃত্যু ঘটে। তেওঁ আছিল এজন Jewelary Designer । তেওঁ মূলতে গুৱাহাটীৰ নিবাসী আছিল। মৃত্যুৰ সময়ত তেওঁৰ বয়স ৪৩ বছৰ আছিল। তেওঁ পত্নীৰ উপৰি এটিকৈ কন্যা আৰু পুত্ৰসন্তান এৰি থৈ গৈছে।

## ডঃ ৰাজৰ্ষি কলিতা



দিল্লী বিশ্ববিদ্যালয়ৰ শ্যামলাল কলেজৰ ইংৰাজী বিভাগৰ সহ-অধ্যাপক ডঃ ৰাজৰ্ষি কলিতা ক'ভিডত আক্ৰান্ত হৈ যোৱা ৫ মে'ৰ দিনা অকালতে মৃত্যুমুখত পৰে। তেওঁ খ্যাতনামা অসমীয়া সাহিত্যিক শ্ৰীমতী অৰূপা পটংগীয়া কলিতা আৰু টংলা মহাবিদ্যালয় ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপক শ্ৰী ৰাজেন কলিতাৰ একমাত্ৰ পুত্ৰ আছিল। ডঃ ৰাজৰ্ষি কলিতাই পত্নীৰ উপৰি তেনেই কম বয়সীয়া এটি পুত্ৰ সন্তান এৰি থৈ গৈছে।

## ড. জয়ীতা ভট্টাচাৰ্য



নতুন দিল্লীৰ Observer Research Foundation-ৰ Senior Fellow ড. জয়ীতা ভট্টাচাৰ্য ক'ভিড আক্ৰান্ত হৈ যোৱা ২০ এপ্ৰিলৰ দিনা চাৰ গঙ্গাৰাম হস্পিতালত মৃত্যুমুখত পৰে। তেওঁৰ বয়স হৈছিল মাত্ৰ ৪৫ বছৰ। তেওঁ অসম এছোচিয়েছন, দিল্লীৰ এগৰাকী আজীৱন সদস্য আছিল। ড. জয়ীতাই একদশকৰো অধিক কাল ধৰি ভাৰত-বাংলাদেশ আৰু ভাৰত-ম্যানমাৰ বিদেশ নীতি গৱেষণাৰ ওপৰত কাম কৰি সুখ্যাতি আৰ্জিছিল। তেওঁ অসম এছোচিয়েছন, দিল্লীৰ আজীৱন সদস্য Cyber security policy বিশেষজ্ঞ শ্ৰী সুবিমল ভট্টাচাৰ্যৰ পত্নী আৰু ৰাজ্যসভাত অসমৰ প্ৰতিনিধিত্ব কৰা প্ৰাক্তন সাংসদ প্ৰয়াত নৃপতি ৰঞ্জন চৌধুৰীৰ কন্যা আছিল।

## ডঃ পংকজ কুমাৰ মেধি



যোৱা ৫ মে’ তাৰিখে নিশা ড. পংকজ কুমাৰ মেধিৰ ক’ভিড-19 ত আক্ৰান্ত হৈ মৃত্যু হয়। তেওঁ গ্ৰেটাৰ নয়ডাৰ ডাঃ চৌহান সঞ্জীৱনী হাস্পতালত চিকিৎসাধীন হৈ আছিল। গ্ৰেটাৰ নয়ডাৰ বেন্নেট বিশ্ববিদ্যালয়ৰ সহকাৰী অধ্যাপক আছিল ডঃ পংকজ কুমাৰ মেধি। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৪৭ বছৰ। ডঃ পংকজ কুমাৰ মেধীয়ে পত্নী আৰু একমাত্ৰ পুত্ৰক ইহ সংসাৰত এৰি থৈ যায়।

(ক’ভিড মহামাৰীত ৰাষ্ট্ৰীয় ৰাজধানীৰ বিভিন্ন ঠাইত প্ৰাণ হেৰুৱাব লগা হোৱা দুৰ্ভগীয়া অসমীয়াসকলৰ খবৰবোৰ সংগ্ৰহ কৰি দিয়া ডাঃ নীলমণি শৰ্মা, শ্ৰী শিৰৰাম দেউৰী, ডঃ বিনোদ খাদাৰিয়া, ডঃ জয়ন্তীমালা বৰপূজাৰী, শ্ৰী দিব্যজিৎ দত্ত আৰু শ্ৰী অংশুমান বৰুৱাৰ ‘যোগাযোগে’ শলাগ লৈছে। আজি আমি যিসকলক স্মৰণ কৰি তেওঁলোকৰ আত্মাৰ সদগতি কামনা কৰিলোঁ তেখেতসকলৰ উপৰি আমাৰ অজানিতে কোনোবা যদি বাদ পৰি ৰৈছে তেনেহলে সেইকথা আমাক whatsapp যোগে 9873763811 নম্বৰত জনালে আমি কৃতাৰ্থ হ’ম আৰু পৰৱৰ্তি সংখ্যাৰ ‘যোগাযোগ’-ত সেই বাতৰি সামৰি লোৱা হ’ব। -*সম্পাদক*)

### শোকবাৰ্তা

৩০ এপ্ৰিল, ফৰিদাবাদ




অসম এছোচিয়েছন, গুৰগাঁৱৰ প্ৰতিষ্ঠাপক সভাপতি মৃদুল ভূঞা কৰ’ণাত আক্ৰান্ত হৈ ২৯ এপ্ৰিলত মৃত্যুমুখত পৰে। দিল্লী এন.চি.আৰ.ৰ অসমীয়া ৰাইজক চহকী কৃষ্টি-সংস্কৃতিৰ ডোলেৰে বান্ধি ৰাখিবলৈ নিষ্ঠাৰে কাম কৰি যোৱা মৃদুল ভূঞাৰ অকাল মৃত্যুত অসম এছ’চিয়েচন, ফৰিদাবাদে গভীৰ শোক প্ৰকাশ কৰিছে আৰু শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিছে।

পংকজ কুমাৰ দাস<br>
সভাপতি<br>
অসম এছ’চিয়েচন, ফৰিদাবাদ

# Assam Association Delhi has proposed to Establish one Covid Health Centre at Srimanta Sankaradev Bhawan

Assam Association Delhi has decided to establish one Covid Health Care Centre at Srimanta Sankaradev Bhawan New Delhi. During the recent 2nd wave of Corona, it was found that there was very high causality of Assamese people residing in Delhi NCR and majority were struggling with oxygen supply, intensive care, etc. There were critical gap during requirement of intensive care i.e. Oxygen, consultancy, ambulance service etc.

As the Covid-19 pandemic has started to create havoc in the world with large nos of death and destruction , Government and other World Agencies have been appealing all segments of the society to join together to fight against the Corona Virus. As the existence medical facilities in the country is not adequate, creation of additional health facilities has become critical needs, so recently Government has instructed PSUs to release CSR fund to NGO/ Societies for CoVID Care related activities. In this context, Assam Association Delhi has expressed their desire to establish a Covid Health Care Centre in Delhi NCR in their existing office building i.e. Srimanta Sankaradeva Bhawan, Delhi. This Centre to be equipped with assured Oxygen support with dedicated Basic Life Support Ambulance (BLSA) equipped with sufficient oxygen support for ensuring safe transport of a case to a Dedicated COVID Hospitals if the symptoms progress from moderate to severe.

A proposal viz. Establishment of Covid Health Centre at Srimanta Sankaradev Bhawan, Delhi has been prepared and being submitted. Also it has been decided to seek support from Assam Government towards establishment of the Centre.

*Reported by*
*Dibyojit Dutta*
*General Secy. AAD*

# Oxygen ATM by Helping Hands for SOS NE covid patients in Delhi.


1. Thousands NE migrants covid infected patients are home quarantined and many are in desperate condition for want of oxygen supply.
....So far Helping Hands has been providing oxygen to some of the critical NE covid patients in Delhi by "beg, borrow and steal" to save their life. Many have died for want of oxygen too ...

2. Finally, Helping
Hands has started Oxygen ATM at 5/18 Subhas Nagar, 27 West Delhi .

3. ATM will be manned 24/7 by Helping Hands Sikh's Youth by following sikh samaritans -
** Amandeep Singh (John ) * Partap Singh Gujral * Manjeet Singh*
** Taranbir Singh (vinky) * Ravinder Singh * Nitin Pal Singh Manjeet.*
4. We will provide oxygen for 4/5 days or oxygen kit for SOS emergency use.
5. PREFERENCE will be given to NE covid patients who are working in private companies with meagre salary and NE students.
6. HOW TO AVAIL- Those quarantined NE covid patients in home can send by Whatsapp or SMS at 9810083486 with following-
* digital quarantine papers/
* Covid report ,
* Identity card from the company or
* student identity card for students only .

- Helping Hands will issue digital token number through Whatsapp / SMS to the NE covid patients, the token number and other detail will also be sent to Incharge Oxygen ATM also by Whatsapp.
By showing the digital alloted token in the mobile, Oxygen ATM Centre will issue oxygen or oxygen kit as per requirement of the patient.
( Helping Hands will only cater to the most needy NE patients and will endeavor to run till the availability of the oxygen in the stock/ market.)

*Thanks.*
*Robin Hibu IPS*
*President, Helping Hands*
*Delhi.*


ESTD: 1966
PACKERS & MOVERS
ASSAM DOOARS ROADWAYS
ADR INDIA LLP.
Head Office: Goenka Building, Kedar Road,
Guwahati – 781001 Assam
: 9864042023, 9864047677
Admn. Office: 167/17, Amritpuri – B,
East Of Kailash, New Delhi – 110065
: 9811336158, 7982696995
Concern Person : Pawan Agarwal
assamdooarsroadways@gmail.com
https://www.indianmoversorganization.org/packers-and-movers-guwaha
MEMBER: INDIAN MOVERS ORGANIZATION
SERVICE ALL OVER NORTH EAST